# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV YEAR OF OUR LORD JESUS CHRIST, 2025 JANUARY No. 07


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

### PSALM 101: 1 to 8

১। মই দয়া আৰু ন্যায় বিচাৰৰ গীত গান; হে যিহোৱা, মই তোমাৰ উদ্দেশ্যে প্ৰশংসাৰ গান গাম।

২। মই সিদ্ধ পথত চলিবলৈ মনোযোগ দিম; তুমি কেতিয়া মোৰ ওচৰলৈ আহিবা ?মোৰ ঘৰৰ ভিতৰত মই হৃদয়ৰ সিদ্ধতাত চলিম।

৩। মই জঘন্য কোনো বিষয়কে মোৰ চকুৰ আগত নাৰাখিম; বিপথে যোৱা লোকসকলৰ কাৰ্যক মই ঘিণ কৰোঁ।সেইবোৰে মোক খামুচি ধৰিব নোৱাৰিব।

৪। কুটিল অন্তঃকৰণ মোৰ পৰা দূৰ হ'ব; দুষ্টতাৰ লগত মোৰ সম্পৰ্ক নাথাকিব।

৫। যিজনে গোপনে চুবুৰীয়াৰ অপবাদ চৰ্চে, তেওঁক মই উচ্ছন্ন কৰিম; গৰ্বিত দৃষ্টি আৰু অহংকাৰ মনৰ লোকক মই সহ্য নকৰিম।

৬। দেশৰ বিশ্বাসী লোকসকলৰ ওপৰত মোৰ কৃপা দৃষ্টি থাকিব; তেওঁলোকে মোৰ সৈতে বাস কৰিব।

৭। ছলনাকাৰীবোৰ মোৰ গৃহৰ ভিতৰত বাস কৰিব নোৱাৰিব; মিথ্যাবাদীবোৰ মোৰ চকুৰ আগত থিৰে থাকিব নোৱাৰিব।

৮। প্ৰতি ৰাতিপুৱাতে সকলো দুষ্টলোকক মই বিনষ্ট কৰিম; যিহোৱাৰ নগৰৰ পৰা সকলো অধৰ্মচাৰীকে উচ্ছন্ন কৰিম।

## প্ৰভু যীচু খ্ৰীষ্টই

## আপোনালৈ কৰা তেওঁৰ অঙ্গীকাৰসমূহক মনত ৰাখিব

THE LORD JESUS CHRIST WILL REMEMBER HIS PROMISES TO YOU!

*মাননীয় প্ৰধান সম্পাদক, ৰেভা. এঞ্জেলীন ছেলভাকুমাৰী*



**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিস্তৃত পৰিয়ালৰ** সকলোলৈ নৱবৰ্ষৰ শুভেচ্ছা জনাইছো।

মই প্ৰাৰ্থনা কৰো যাতে ঈশ্বৰে এই নৱবৰ্ষত আপোনাক, আপোনাৰ পৰিয়ালবৰ্গক আৰু আপুনি তেওঁৰ প্ৰতি কৰা ভাল ভাল কৰ্মবিলাকক সোঁৱৰণ কৰিব।

বাইবেলে নিশ্চিত কৰি আমাক কয় যে ঈশ্বৰে তেওঁ কোৱা বাক্যকে সিদ্ধ কৰে। **কিয়নো মই তোমাক কোৱা সকলো কথাকে সিদ্ধ নকৰোঁ মানে, মই তোমাক ত্যাগ নকৰিম** (আদিপুস্তক ২৮ঃ১৬)। যেতিয়া ঈশ্বৰে এবাৰ প্ৰতিজ্ঞা কৰে, তেওঁ তাক সিদ্ধ কৰে, তেওঁৰ উচিত সময়ত সিদ্ধ কৰে। তেওঁৰ সময় এদিনত, এসপ্তাহত, এমাহত, এবছৰত বা আনকি গোটেই বংশটো আহিব পাৰে। তেওঁৰ প্ৰতিজ্ঞা সদায় সিদ্ধ হ'ব।

মই প্ৰাৰ্থনা কৰো যাতে এই ২০২৫ বৰ্ষটি আপোনাৰ বাবে আধ্যাত্মিক বৰ্ষ হ'ব - আপোনাৰ জীৱনত তেওঁৰ প্ৰতিজ্ঞাসমূহ ঈশ্বৰৰ নিৰূপিত সময়ত পূৰণ হ'ব।

*৩। পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



REACHING NATIONS

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্যন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.



EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call


*"... তোমাৰ ভঁৰালবোৰ পৰিপূৰ্ণ হ'ব আৰু তোমাৰ দ্ৰাক্ষাৰসৰ পাত্ৰ নতুন দ্ৰাক্ষাৰসেৰে উপচি পৰিব।" –হিতোপদেশ ৩ঃ১০।*

প্ৰভুত প্ৰিয় ঈশ্বৰৰ সন্তানসকল!

আপোনালোকলৈ আমাৰ প্ৰেম আৰু শুভেচ্ছা জনালো। প্ৰতিদিনে আপোনালোকৰ নিৰাপদৰ বাবে আৰু আপোনালোকৰ জীৱনৰ কল্যাণৰ বাবে আমি একেৰাহে প্ৰাৰ্থনা কৰি আছো। আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনাৰ বাবে আৰু আপোনালোকৰ উৎসাহপূৰ্ণ সহায় আমালৈ আগবঢ়োৱাৰ বাবে ধন্যবাদ জনাইছো। যোৱা গোটেই বছৰটোত মই বিশ্বাস কৰো আপোনালোক ভালে কুশলে আছিল।

যোৱা বছৰত আমাৰ পৰিচৰ্যা ঈশ্বৰৰ দয়াৰে পৰিপূৰ্ণ হৈ আছিল। জৰ্দান নৈৰ দৰে পৰীক্ষাবোৰ আৰু চুফ সাগৰৰ দৰে বাধাবিলাকক অতিক্ৰম কৰিবলৈ ঈশ্বৰে আমাক সহায় কৰিলে, অন্যথা আমি আমাৰ মানৱ শক্তিৰে জয়ী হ'বলৈ নোৱাৰিলোহেঁতেন।

ঠিক সেইদৰে আপোনালোকৰ জীৱনটো ঘটিব পাৰে। ভয় নকৰিব। ঈশ্বৰে আপোনালোকৰ বাবে যুদ্ধ কৰি আছে। আপোনালোকৰ পক্ষত থিয় হৈ আছে আৰু কথা কৈছেঃ **"আপোনালোকে কোনো বতাহ বা বৰষুণ, দেখা নাপালেও, এই নদীৰ পানীৰে পৰিপূৰ্ণ হ'ব আৰু আপোনালোকে পানী খাব পাৰিব, আপোনালোকৰ পশুধন আৰু আন আন জন্তুবোৰেও পানী খাব"**। (২ ৰাজাৱলি ৩ঃ১৭)।

**এই কাৰণে প্ৰভু যিহোৱাই কৈছে, "চোৱা, মই চিয়োনত ভিত্তিমূলৰ এটা শিল, এটা পৰীক্ষিত শিল আৰু দৃঢ়কৈবহুওৱা চুকৰ এটা বহুমূল্য শিল স্থাপন কৰিলো। যিজনে বিশ্বাস কৰিব তেওঁ অধৈৰ্য নহ'ব"** *(যিচয়া ২৮ঃ১৬)*। উদ্বিগ্ন নহ'ব। ঈশ্বৰে আপোনালোকৰ বাবে এটা আচৰিত কৰ্ম কৰিব। পৰ্বতবোৰ আৰু পাহাৰবোৰ গুচি সাগৰৰ মাজত পৰিব, কিন্তু তেওঁৰ অনুগ্ৰহ আপোনালোকৰ পৰা নাযাব। **"যদিও পৰ্বতবোৰ ধ্বংস হ'ব আৰু পাহাৰবোৰ কঁপিবচ তথাপিও তোমালোকৰ পৰা মোৰ বিশ্বাসযোগ্য চুক্তি আঁতৰি নাযাব বা মোৰ শান্তি চুক্তি লৰচৰ নহ'ব। যিজনে তোমালোকক অনুগ্ৰহ কৰে সেই যিহোৱাই কৈছে"** *(যিচয়া ৫৪ঃ১০)*। যিজনা ঈশ্বৰে আপোনাক পৰি যোৱাৰ পৰা ৰক্ষা কৰে সেইজন ঈশ্বৰেই আপোনাৰ লগত আছে; সহিয়াল হওক। এই বছৰৰ শেষ হোৱাৰ আগেয়ে প্ৰথম উত্তম বস্তু আপোনাৰ ওচৰত আহি পাব।

আমাৰ পৰিচৰ্যাৰ পথটো অতি কঠিন; আমি শত্ৰুৰ বিৰুদ্ধে যুঁজি যুঁজি আমাৰ শক্তিক দুৰ্বল কৰি লৈছো। কিন্তু ঈশ্বৰে আপোনাক, আমাক তুলি ৰাখিছে। **কাৰণ ন্যায় কাৰ্য কৰে, তেওঁলোক সাতবাৰ পৰিলেও পুনৰ উঠিব। কিন্তু দুষ্টলোক দুৰ্যোগত পৰি বিনষ্ট হয়** *(হিতোপদেশ ২৪ঃ১৬)*। গতিকে আমি নিৰুৎসাহ হোৱা নাই। ঈশ্বৰৰ শক্তিয়ে আমাক ওপৰলৈ তুলি ধৰিব।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ বাবে আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনা আৰু হৰ্ষিত মনেৰে দান আগবঢ়াবলৈ অনুৰোধ জনাইছো। এইভাৱে আমাৰ পৰিচৰ্যাত পৰিশ্ৰমী হওক আৰু ঈশ্বৰৰ আন আন দাস সকলক সহায় কৰিবলৈ নাপাহৰিব। ঈশ্বৰে বহুগুণে আপোনালোকক আশীৰ্বাদ কৰক... আমেন!

সকলোলৈকে নৱবৰ্ষৰ শুভেচ্ছা জনালো!

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,

পালক এলেক্স চামচন চাম আৰু

এচ, চাম ছেলভা ৰাজ

(+91) 98412 71858 / 98410 71858, E.mail : sam@echoofhiscall.org


Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

## মনোযোগ দিয়ক !

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*


*....Contd. from page 1*

## নিৰাশৰ সময়ত শক্তিশালী প্ৰাৰ্থনাৰ বাবে আহ্বান কৰে!

যেতিয়া ঈশ্বৰে আপোনাক প্ৰতিশ্ৰুতি দিয়ে, দৃঢ়ভাৱে প্ৰাৰ্থনাত লাগি থাকক। প্ৰায় সময়ত নিৰাশাজনক পৰিস্থিতিৰ সময়ত উগ্ৰতাৰে আৰু আন্তৰিকতাৰে প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন হয়। সমস্ত বাইবেলত, বহুত ব্যক্তিসকলৰ জীৱনত এনে উদাহৰণ পাওঁ, যিসকলে তেওঁলোকৰ বহুত কষ্টৰ সময়ত, ঈশ্বৰলৈ ঘূৰি আহে আৰু ঈশ্বৰে তেওঁলোকক সোঁৱৰণ কৰি সহাঁৰি জনায়।

যেতিয়া মই কওঁ "ঈশ্বৰে সোঁৱৰণ কৰে", ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁ পাহৰে। পৰিৱৰ্তে এইটোৱে ইয়াকে বুজায় যে আমি বিশ্বাসত একেৰাহে প্ৰাৰ্থনা কৰো আৰু আমাৰ ক্ৰন্দনৰ ফলত স্বৰ্গ লৰচৰ কৰে, আমেন !

হান্নাৰ কাহিনীটি গণ্য কৰি চাওক। তেওঁ গৰ্ভৱতী হোৱাত অক্ষমতাৰ বাবে গভীৰভাৱে শোকাহত অৱস্থাত আছিল। যন্ত্ৰণাত ভূগি, তেওঁ কৈছিল "**... মই এজনী অতি অভাগিনী নাৰী...**"



**"... মই এজনী অতি অভাগিনী নাৰী..."**
**হান্নাৰ প্ৰাৰ্থনা**

*(১ চামুৱেল ১ঃ১৫)*। প্ৰাৰ্থনাত তেওঁৰ হৃদয়খন বাকি দিয়াৰ পাছত, তেওঁৰ মুখাকৃতিৰ পৰিৱৰ্তন হৈছিল। বাইবেলে আমাক কয় যে, ... **তেওঁৰ মুখ কেতিয়াও বিবৰ্ণ নহ'ল** *(১ চামুৱেল ১ঃ১৮)*। কিয়নো তেওঁ বিশ্বাস কৰিছিল যে ঈশ্বৰে তেওঁক নিশ্চয় উত্তৰ দিব। ঈশ্বৰ নিজ প্ৰকৃতিৰ প্ৰতি সত্য, ... **যিহোৱাই তেওঁৰ নিবেদনৰ উত্তৰ দিলে**। *(১ চামুৱেল ১ঃ১৯)*। আৰু এটি সন্তানৰ সৈতে আশীৰ্বাদপ্ৰাপ্ত হ'ল।

আন এটা শক্তিশালী উদাহৰণ হৈছে হিস্কিয়া ৰজা। ঈশ্বৰে যেতিয়া তেওঁক মৃত্যুৰ বাবে সাজু হ'বলৈ কৈছিল তেতিয়া তেওঁ এটা শক্তিশালী প্ৰাৰ্থনা কৰিছিল।

**হে যিহোৱা, মিনতি কৰিছো, এবাৰ সোঁৱৰণ কৰক, মই কেনে বিশ্বাসেৰে আৰু সমস্ত হৃদয়েৰে তোমাৰ সন্মুখত চলি আহিছো, তোমাৰ দৃষ্টিত মই কেনে সৎ আচৰণ কৰি আহিছো**, ... *(২ ৰাজাৱলি ২০ঃ৩)*। তেওঁৰ হৃদয়েৰে কৰা নিবেদন শুনি ঈশ্বৰে তেওঁক আৰোগ্য কৰি জীৱন দান দিলে।

কিদৰে শক্তিশালী প্ৰাৰ্থনাৰ দ্বাৰাই ঈশ্বৰৰ হৃদয়ক স্পৰ্শ কৰা হ'ল আৰু স্বৰ্গীয় হস্তক্ষেপক প্ৰোত সাহিত কৰিলে সেই সকলোবোৰ সাক্ষ্য বাইবেলত আমি বহুতবাৰ পাওঁ।

যেতিয়াই মানুহে প্ৰাৰ্থনা কৰিলে, ঈশ্বৰে সোঁৱৰণ কৰিলে। মই নাজানো আপোনালোকৰ কিমানে যোৱা বছৰত এইদৰে ঈশ্বৰলৈ ক্ৰন্দন কৰিছিলে, "হে ঈশ্বৰ তোমাৰ প্ৰেমময় দয়াত আমাক সোঁৱৰণ কৰা। প্ৰভু মোক দয়া কৰা। মিনতি কৰো, মোলৈ দৃষ্টি কৰা। মোৰ অৱস্থালৈ মন দিয়া।"

আপোনাৰ বাবে মোৰ ওচৰত ভাল খবৰ আছে। সাৰ্বভৌম প্ৰভুৱে এইদৰে কৈছেঃ "**... মোৰ বাক্য কোনোটোৱেই ফলিয়াবলৈ পলম নহ'ব। কিন্তু মই যি বাক্য ক'ম, সেয়ে সিদ্ধ হ'ব, সেয়ে প্ৰভুৰ বচন।**"

মোৰ হৃদয়ৰ গভীৰ প্ৰাৰ্থনাটো হৈছে যে মই ২০২৫ বৰ্ষত ঈশ্বৰে আপোনাক সোঁৱৰণ কৰিব আৰু আপোনাৰ জীৱনত, আপোনাৰ পৰিয়ালত আৰু আপোনাৰ পৰিচৰ্যাত তেওঁ তেওঁৰ পৰিকল্পনাক সিদ্ধ কৰিব।

ঈশ্বৰে আমাক যিমান অধিক সোঁৱৰণ কৰাটো আমি বিচাৰো, তেৱোঁ সিমানেই এই বছৰটোৰ আৰম্ভণিত আমাক কিছুমান দায়িত্ববোৰক মনত ৰাখিবলৈ আহ্বান কৰিছে।

### ১. ঈশ্বৰৰ কাৰ্যবোৰ আৰু আচৰিত কৰ্মবোৰক সোঁৱৰণ কৰক!

**যিহোৱাই কৰা সকলো কাৰ্যৰ কথা মই সোঁৱৰিম, পূৰ্বতে তুমি কৰা আচৰিত কৰ্মবোৰ মই সোঁৱৰণ কৰিম। তোমাৰ সকলো কাৰ্যৰ বিষয়ে মই ধ্যান কৰিমচ তোমাৰ মহৎ কাৰ্যবোৰ গভীৰভাৱে চিন্তা কৰিম।** *(গীতমালা ৭৭ ঃ ১১-১২)*।

বাইবেলে কয় যে, ঈশ্বৰে আপোনাৰ জীৱনত কৰা আচৰিত কৰ্মবোৰ, আশীৰ্বাদবোৰক



**যিহোচুৱাৰ নেতৃত্বত ইস্ৰায়েল লোকবিলাকে যৰ্দন নদী পাৰ কৰিলে**

প্ৰতিপালিত কৰা। এটা অবিস্মৰণীয় উদাহৰণ আমি যিহোচুৱা ৪ অধ্যায়ত পাওঁ, য'ত ইস্ৰায়েল লোকসকলে যিহোচুৱাৰ নেতৃত্বত, যৰ্দন নৈ পাৰ হৈ গৈছিল। নদীখন পাৰ কৰাৰ সময়ত, ঈশ্বৰে তেওঁলোকক তেওঁৰ পৰাক্ৰমশালী কাৰ্যক মনত ৰখাৰ উদ্দেশ্যে কিছুমান উল্লেখযোগ্য কাৰ্য কৰিবলৈ আদেশ দিছিল। তেওঁ প্ৰতিটো উপজাতিকে নদীৰ তলৰ পৰা এটি শিল ল'বলৈ নিৰ্দেশ দিছিল।

"**সেয়ে তোমালোকৰ মাজত চিন হ'ব অৰ্থাৎ তেতিয়া তোমালোকৰ সন্তানসকলে শিলবোৰৰ বিষয়ে "তোমালোকে কি বুজা?" বুলি সুধিব। তেতিয়া তোমালোকে তেওঁলোকক ক'বা যে, যিহোৱাৰ নিয়ম চন্দকৰ আগত যৰ্দনৰ পানী ছিগিছিল**। (যিহোচুৱা ৪ঃ৬-৭)

২০২৪ বৰ্ষত বা আনকি অতীতৰ বছৰবোৰৰ পৰা কি কি সোঁৱৰণৰ চিন আপুনি পাইছে? যদি তেওঁলোকে যৰ্দন নদী পাৰ কৰা প্ৰত্যাহ্বানৰ সন্মুখীন নহ'লহেঁতেন, পৰৱৰ্তী প্ৰজন্মলৈ পঠাবৰ বাবে তেওঁলোকৰ ওচৰত শিল নাথাকিলহেতেন।

একেদৰে, ঈশ্বৰে মাজে মাজে আমাক অপ্ৰতিৰোধ্য প্ৰত্যাহ্বানবোৰক সন্মুখীন হ'বলৈ দিয়ে, যেনে সেই গৰ্জনকাৰী বেগী প্ৰবাহিত যৰ্দন নদীৰ দৰে। এই প্ৰত্যাহ্বানবোৰ কেৱল আমাৰ বিশ্বাসক গঢ়ি তোলাৰ বাবে নহয় কিন্তু আমাৰ বাবে আৰু আমাৰ পৰৱৰ্তী প্ৰজন্মৰ বাবে- ঈশ্বৰে কি কৰিব পাৰে তাৰে সাক্ষ্য হিচাপে পৰিৱেশ কৰিবলৈ।

## ২. আপোনাৰ সৃষ্টিকৰ্তাক সোঁৱৰণ কৰক! -উপদেশক ১২:১

প্ৰায়েই আমি এই পদটিক বিশেষভাৱে যুৱকসকলক উদ্দেশ্য কৰি সম্বোধন কৰা দেখো... উপদেশক ১২:১। কিন্তু এইটো তৰুণৰ বাহিৰতো গুচি যায়, আমাৰ সমগ্ৰ জীৱনত আমাৰ সৃষ্টিকৰ্তাক সোঁৱৰণ কৰাৰ আহ্বান জনায়।

প্ৰায় সময়ত আমি সৃষ্টিকৰ্তাৰ ওপৰত সৃষ্টিক প্ৰাধান্য দিওঁ। তাকে বাইবেলে সতৰ্ক কৰি দিয়ে ঃ

**তেওঁলোকে ঈশ্বৰৰ সত্যতাক মিছাৰ সতে সাল-সলনি কৰি সৃষ্টিকৰ্তাৰ সলনি সৃষ্ট বস্তুবোৰক আৰাধনা আৰু সেৱা কৰিলে, সেইজন সৃষ্টিকৰ্তা চিৰকাল ধন্য। আমেন**- ৰোমীয়া ১:২৫ ।(এন এল টি)

অনুভৱ নকৰাকৈ আমি ঈশ্বৰক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে তেওঁৰ সৃষ্ট বস্তুবোৰত আমি প্ৰায় সময়ত অযথা গুৰুত্ব দিও। শাস্ত্ৰই আমাক সোঁৱৰাই দি কয় ঃ

**... তোমালোকে প্ৰথমে ঈশ্বৰৰ ৰাজ্য বিচাৰা, তাতে এই সকলোবোৰ তোমালোকক দিয়া হ'ব** - *(মথি ৬ঃ৩৩)*।

আমি উৎসটোক পাহৰি যাওঁ! তেওঁ আমাৰ বিশ্বাসৰ লেখক আৰু সমাপ্তিকাৰী। তেওঁ সকলো বস্তু সৃষ্টি কৰিছে আৰু আমাৰ জীৱন সম্পূৰ্ণ নিয়ন্ত্ৰণত থাকে। আমাৰ জীৱনৰ প্ৰতিটো ঘটনাই ঐশ্বৰিক উদ্দেশ্যক লৈ আহে। সৃষ্টিকৰ্তাক ভাৰসা ৰাখক কিয়নো তেওঁ ভালৰ বাবে সকলো কাৰ্য একেলগে কৰে।

যোচেফৰ ইতিহাসক এটা উদাহৰণস্বৰূপে লওক। তেওঁ যাকোবৰ প্ৰিয় সন্তান আছিল, তেওঁৰ বৃদ্ধ বয়সত জন্মগ্ৰহণ



যাকোব তেওঁৰ অতি প্ৰিয় পুত্ৰৰ সৈতে



**যোচেফে কঠিন সময়পাৰ কৰিছিল!**

কৰিলে আৰু গভীৰভাৱে লালিত-পালিত হৈছিল- সেয়ে তেওঁৰ ভাইহঁতে ঈৰ্ষা কৰিছিল। যোচেফ এজন সপোনদৰ্শী আছিল, ঈশ্বৰৰ পৰা প্ৰতিশ্ৰুতি আৰু ভৱিষ্যতবাণী পাইছিল যে এদিন তেওঁৰ পৰিয়ালৰ সকলোৱে তেওঁৰ আগত প্ৰণিপাত কৰিব। কিন্তু ঈশ্বৰে জানিছিল যে যোচেফে থকা ঠাইত তেওঁৰ ভাগ্য প্ৰকাশ নাপাব। এটি যাত্ৰাৰ প্ৰয়োজন আছিল।

যাকোবে যিদৰে প্ৰতিৰক্ষামূলক হৈ আছিল, তেওঁ যোচেফক মিচৰৰ দৰে দূৰ ঠাইলৈ যাবলৈ কেতিয়াও অনুমতি নিদিলেহেতেন, য'ত ঈশ্বৰৰ পৰিকল্পনা অপেক্ষা কৰি আছিল। গতিকে যোচেফে এটা কষ্টকৰ পথৰ মাজেদি যাবলগীয়া হৈছিল ঃ প্ৰথমে গৰাহলৈ, তাৰ পাছত জেললৈ আৰু অৱশেষত ৰাজপ্ৰসাদলৈ গৈছিল। প্ৰলোভনৰ উপৰিও মিছা অভিযোগ আৰু বন্দী অৱস্থালৈকে, ঈশ্বৰে সকলো পৰিস্থিতিক নিয়ন্ত্ৰণ কৰি আছিল।

প্ৰিয় বন্ধুসকল, বোধকৰো, জীৱনে আপোনাৰ লগত অন্যায় কৰি আছে। হয়তো আপুনি বেদনাদায়ক অভিজ্ঞতাৰ সন্মুখীন হৈছে, অন্যায় আচৰণ, অপমান বা যোচেফৰ দৰে বিশ্বাসঘাতকতাৰ সন্মুখীন হৈছে। কিন্তু মনত ৰাখিব, আপোনাৰ সৃষ্টিকৰ্তাই নিয়ন্ত্ৰণত আছে।

যোচেফে এবাৰ উদ্ধাৰ পাবৰ বাবে আশা কৰি পান পাত্ৰ ধৰোঁতাজনক তেওঁক সোঁৱৰণ কৰিবলৈ কৈছিল। কিন্তু মানুহে নহয়, ঈশ্বৰেহে তেওঁৰ উত্থানক সুস্থভাৱে সমন্বিত কৰিলে। ঈশ্বৰে বন্ধ কৰা দুৱাৰ মেলিবলৈ বা ঈশ্বৰে মেলি দিয়া দুৱাৰক বন্ধ কৰিবলৈ কোনো

....Contd. to page 6

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**



**(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)**

**২০২৫ বৰ্ষৰ ১৯ জানুৱাৰীৰ পৰা ২০২৫ বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

**জানুৱাৰী ১৯** ঃআমাৰ সহঃ সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদৰ বাবে।

**জানুৱাৰী ২০** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, চাবক্সাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত ঈশ্বৰৰ দয়া আৰু অনুগ্ৰহৰ বাবে।

**জানুৱাৰী ২১** ঃ যোৱা মাহৰ আমাৰ সকলো আৰ্থিক সহায় আৰু আত্মিক সহায় যোগোৱাৰ বাবে।

**জানুৱাৰী ২২** ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু শাখা মণ্ডলী সমূহ আৰু তেওঁলোকৰ বিশ্বাসীসকলৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

**জানুৱাৰী ২৩** ঃ আমাৰ থিয়লজিকেল সভাখন নিয়মীয়াকৈ আয়োজন কৰাত সমৰ্থ কৰাৰ বাবে।

**জানুৱাৰী ২৪** ঃ আমাৰ কেন্দ্ৰ আৰু শাখা মণ্ডলীসমূহত বৰদিন আৰু নৱবৰ্ষ পালন কৰাত সহায় কৰাৰ বাবে আৰু অৰ্থপূৰ্ণ আৰু প্ৰভাৱপূৰ্ণভাৱে পালন কৰাত সহায় কৰাৰ বাবে।

**জানুৱাৰী ২৫** ঃ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজসমূহ আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো কাৰ্যক্ৰমৰ বাবে।

**জানুৱাৰী ২৬** ঃ আমাৰ জ্যেষ্ঠ পালকে, বহুবিধ পৰিচৰ্যাসমূহৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰাত তেওঁৰ অঙ্গীকাৰৰ বাবে।

**জানুৱাৰী ২৭** ঃ শুভবাৰ্তা নোপোৱা ঠাই বিলাকত শুভবাৰ্তা দিবলৈ ৫ মিনিট বাৰ্তা আমাৰ ইউটিউব চেনেলত আমাক আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ২৮** ঃ ১৬ টা ভাষাত আমাক প্ৰকাশক, আমাৰ ছপা শালত ছপা কৰি মিছন ফিল্ডত পঠোৱাত আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ২৯** ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কৰ্মীসকলৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সু-স্বাস্থ্য আৰু স্বৰ্গীয় নিৰাপত্তা দি আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ৩০** ঃ সহ-পৰিচালক, মিছনেৰীসকল আৰু তেওঁলোকৰ পৰিয়ালসকলক আশীৰ্বাদ কৰাৰ বাবে।

**জানুৱাৰী ৩১** ঃ আমাৰ কেন্দ্ৰ আৰু শাখা মণ্ডলীসমূহৰ পালকসকল আৰু জ্যেষ্ঠ চলাওঁতাসকলৰ ওপৰত থকা আশীৰ্বাদৰ বাবে।

**ফেব্ৰুৱাৰী ০১** ঃ আমাৰ চিকিৎসালয় পৰিচৰ্যাত ঈশ্বৰৰ আচৰিত কৰ্মৰ বাবে।

**ফেব্ৰুৱাৰী ০২** ঃ আমাৰ কেন্দ্ৰ মণ্ডলী পুৰুষসকলৰ সমবেতত ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে।

**ফেব্ৰুৱাৰী ০৩** ঃ আমাৰ যুৱ ও শিশুসকলৰ যত্নৰ বাবে বিশ্বব্যাপী দৰ্শন পৰিচৰ্যাত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**ফেব্ৰুৱাৰী ০৪** ঃ বিশ্বৰ দেশসমূহৰ পৰা নতুন সংক্ৰামক ৰোগবোৰক নিৰ্মূল কৰিবৰ বাবে।

**ফেব্ৰুৱাৰী ০৫** ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যুৱ আৰু প্ৰচাৰ পৰিচৰ্যাৰ বাবে।

**ফেব্ৰুৱাৰী ০৬** ঃ এই বছৰত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ পৰা আৱশ্যকীয় ধনৰ সহায় পাবলৈ।

**ফেব্ৰুৱাৰী ০৭** ঃ গোটেই পৃথিৱীত সকলো মহিমা আৰু শিশুসকলৰ নিৰাপত্তাৰ বাবে।

**ফেব্ৰুৱাৰী ০৮** ঃ মিছনেৰী আৰু ঈশ্বৰৰ দান সকলৰ বিৰুদ্ধে উগ্ৰতা বন্ধ হ'বলৈ।

**ফেব্ৰুৱাৰী ০৯** ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গই সকলো ধৰণৰ মন্দতাৰ পৰা নিৰাপদে থাকিবলৈ।

**ফেব্ৰুৱাৰী ১০** ঃ ইস্ৰায়েল, পলেষ্টিয়া, ৰাছিয়া আৰু ইউক্ৰেনত শান্তিৰ বাবে।

**ফেব্ৰুৱাৰী ১১** ঃ পাব্লিক চৰকাৰী পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

**ফেব্ৰুৱাৰী ১২** ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ আৰু নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ আৰু ছাত্ৰীসকলৰ নিৰাপত্তাৰ বাবে।

**ফেব্ৰুৱাৰী ১৩** ঃ আমাৰ কাৰ্যালয়ৰ কৰ্মচাৰী আৰু ছপাশালৰ কৰ্মীসকলৰ সু-স্বাস্থ্যৰ বাবে।

**ফেব্ৰুৱাৰী ১৪** ঃ আমাৰ সহ-সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

**ফেব্ৰুৱাৰী ১৫** ঃ এই জগতত তেওঁৰ ৰাজ্য স্থাপনৰ বাবে একাগ্ৰতা দৰ্শন দিবলৈ।

**ফেব্ৰুৱাৰী ১৬** ঃ ৰোগ, দৰিদ্ৰতা আৰু ভোকত থকা লোকসকলৰ বাবে।

**ফেব্ৰুৱাৰী ১৭** ঃ ৰাগীয়াল দ্ৰব্যত আসক্ত হৈ থকা মন্দ কাৰ্য কৰি থকা লোকসকলে পাপ স্বীকাৰ কৰিবলৈ।

**ফেব্ৰুৱাৰী ১৮** ঃ গোটেই পৃথিৱীৰ শান্তিৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

মানুহৰে শক্তি নাই। ঈশ্বৰৰ শুদ্ধ সময়ৰ বাবে ভৰসা কৰক, **কিয়নো নিজ নিজ উপযুক্ত সময়ৰ বাবে ঈশ্বৰে সকলোবোৰ ঠিক কৰি ৰাখিছে** (উপদেশক ৩ঃ১১)।

আপোনাৰ প্ৰতিটো পৰিস্থিতিত সৃষ্টিকৰ্তাক সোঁৱৰণ কৰক। তেওঁ আপোনাৰ মূৰ তুলোতা হয় আৰু তেৱেঁই তেওঁৰ পৰিকল্পনাক পৰিপূৰ্ণ কৰে। গতিকে তেওঁতেই সম্পূৰ্ণ ভৰসা ৰাখক।

তেওঁ আমাৰ ভৱিষ্যত গঠন কৰে ঃ

**"কাৰণ যিহোৱাই কৈছে, মই তোমালোকৰ বিষয়ে কৰা সংকল্প ময়েই জানোচ তোমালোকৰ শেষ অৱস্থাত তোমালোকক আশা দিবলৈ সেয়ে মঙ্গলৰ সংকল্প অমঙ্গলৰ নহয়।"** (যিৰিমিয়া ২৯ঃ১১)।

যোচেফে খালত থাকি বহুতো আশাহীন অনুভৱ কৰিছিল আৰু ভাইহঁতৰ দ্বাৰাই পৰিতক্ত অনুভৱ কৰিছিল তেওঁ হয়তো ভাৱিছিল যে "মোৰ বাবে আৰু কোনো ভৱিষ্যত নাই।" তেওঁ জেলত সোমাই থকাৰ সময়ত তেওঁ হতাশাক আৰু ৰজাৰ ভাৰ্যাৰ দ্বাৰাই পোৱা মিছা অভিযোগৰ বিষয়ে কল্পনা কৰক। উদ্ধাৰ পোৱাৰ সম্ভৱ প্ৰায় অসম্ভৱ হৈ পৰিছিল। পোটিফৰৰ দৰে শক্তিশালী এজন ৰজাৰ সন্মুখত কোনে থিয় হ'ব পাৰিব?


কিন্তু যোচেফৰ পৰীক্ষাবোৰৰ মাজত, ঈশ্বৰে কাৰ্য কৰি আছিল। সেই অপ্ৰত্যাশিত পৰিস্থিতিৰ যোগেদি, ঈশ্বৰে যোচেফক তুলিবলৈ ফৌৰণক ব্যৱহাৰ কৰিলে। কিন্তু এই পৰিবৰ্তন এনিশাতে হৈ যোৱা নাছিল। সেই সকলোবোৰ পৰিস্থিতিৰ যোগেদি, যোচেফে ঈশ্বৰত সম্পূৰ্ণৰূপে ভৰসা কৰিবলৈ শিকিলে।

ঈশ্বৰ এতিয়াও একে হৈ আছে। এই বছৰতে, তেওঁ আপোনাক তুলিবলৈ আৰু আশা উদ্ধাৰ কৰিবলৈ আপোনাৰ জীৱনত উপযুক্ত মানুহক আনি দিব। মনত ৰাখিব, তেওঁ হৈছে মহিমা আৰু আপোনাৰ মূৰ ওপৰলৈ তুলি দিয়া ঈশ্বৰ হয়। আপোনাৰ অৱস্থা যিমানেই নহওক কিয় বা ওচৰৰ পথবোৰ যিমানেই অসম্ভৱ নহওক কিয়, সৃষ্টিকৰ্তাত ভৰসা ৰাখক। আপুনি বিচৰা বা আপুনি কল্পনা কৰাতকৈ অধিক তেওঁ কৰিব পাৰে।

## ৩. আপোনাৰ প্ৰদানকাৰীক মনত ৰাখিব!

**আপোনালোকে হয়তো মনতে ক'ব পাৰে, "মোৰ নিজৰ শক্তিত আৰু নিজৰ হাতৰ কৰ্মৰেহে এই ধন-সম্পত্তি পালোঁ। কিন্তু আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক সোঁৱৰণ কৰিবলৈ সামৰ্থ কৰিলে।"** *(দ্বিতীয় বিৱৰণ ৮ঃ১৭-১৮)*।

দ্বিতীয় বিৱৰণ ৮ অধ্যায়টো মোৰ প্ৰিয় অধ্যায়। এই অধ্যায়টোৱে আমাৰ মাজত থকা সকলো বিষয়ক লৈ এটি অনুস্মাৰক হিচাপে কাৰ্য কৰে - শক্তি, ক্ষমতা, জ্ঞান আৰু কৃতকাৰ্য ঈশ্বৰৰ পৰা আহে। এইটোৱে অহংকাৰৰ বিৰুদ্ধে আমাক সতৰ্ক কৰি দিয়ে। আমাৰ সামৰ্থক লৈ অহংকাৰ নকৰিবলৈ বা আমাক সকলো প্ৰদান কৰা জনক নাপাহৰিবলৈ সৰ্তক কৰে।



**পাঁচটা পিঠা আৰু দুটি মাছ যথেষ্ট আহাৰ!**

এই পদটিয়ে আনকি আমাৰ অধিকতম চিন্তাবোৰলৈ লক্ষ্য কৰি কৈছে, "আপুনি আপোনাৰ মনত ক'ব পাৰে..." ঈশ্বৰে জানে যে, কেতিয়াবা আমাৰ উদ্দেশ্য আৰু কাৰ্যবোৰ নিমিলে। সেই গতিকে আমাৰ মনৰ চিন্তাবোৰক অন্তৰ্ভুক্ত কৰিবলৈ এই সতৰ্কবাণীবোৰে বাক্যৰ বাহিৰলৈ যায়।

এই বছৰত আপুনি ভৰি দিয়াৰ সময়ত, এইটোৱেই আপোনাৰ প্ৰাৰ্থনা হওক যে প্ৰতিটো অৱস্থাত ঈশ্বৰ আপোনাৰ প্ৰদানকাৰী হৈ থাকিব। মনত ৰাখিব, যিজন ঈশ্বৰে পাঁচটি পিঠাৰে আৰু দুটি মাছেৰে ৫০০০ মানুহক খুৱাইছিল, সেইজন ঈশ্বৰে আপোনাৰ প্ৰয়োজনীয় বস্তুকো প্ৰদান কৰিব পাৰে।

বোধকৰো এই বছৰক আপুনি উল্লেখযোগ্য প্ৰত্যাহ্বানবোৰৰ সৈতে আৰম্ভ কৰিব লৈছে-- অনিশ্চিত, কিদৰে আপোনাৰ সংসাৰখন চলাব বা পৰিয়ালক কিদৰে পৰিচালনা কৰিব। ঈশ্বৰে দিয়া আশ্বাস আপোনাৰ হৃদয়ত প্ৰতিধ্বনি কৰক ঃ "মই আপোনালোকৰ প্ৰদানকাৰী। ভয় নকৰিব বা হতাশ নহ'ব। যদি মই গোটেই আকালৰ সময়ত বিধৱাজনীক আৰু তেওঁৰ পুত্ৰক অলপমান

*....Contd. to page 8*

নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
Chepauk & Santhoshapuram, Velachery Chennai.
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ
ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS
নামভৰ্তিৰ বাবে সোনকাল কৰক! Medium : Tamil (Part Time)
Hindi (Residential) (Sponsorship Available)
ডিপ্লমা ইন থিয়ল'জি
Recognised by International Christian Leaders & Senior Pastors for the past 55 years
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

1. Prayer Service : 24 hours
2. **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
3. **BIBLECOR** - Basic Bible Courses (English, Tamil & Hindi)
4. Theological Correspondence Courses: English & Tamil
5. Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery)
6. Great Commission Partners (Network of Pastors)
7. Training Programmes – Seminars & Retreats
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday
13. **Early Morning Service : 5.30 a.m. Sunday**
14. **Preliminary Service : 8.00 a.m. Sunday**
15. **Tamil Service : 8.30 a.m. Sunday**
16. **Youth Meeting : 11.00 a.m. Sunday**
17. **Fellowship Lunch : 1.00 p.m. Sunday**
18. **Hindi Service : 4.00 p.m. Sunday**
19. **Telugu Service : 5.00 p.m. Sunday**
20. **English & Hindi Service : 6.00 p.m. Sunday**
21. Feedback Time : 7.30 p.m. Sunday
22. Women's Prayer : 5.30 p.m. Wednesday
23. Men's Prayer : 7.00 p.m. Friday
24. Discipleship Meeting : 6.00 p.m. Saturday
25. House Meetings : 6.30 p.m. Tuesday & Thursday
26. Special Holy Communion : 6.00 a.m. 1st day of each month
27. Ministers' Meeting : 6.00 p.m. First Saturday
28. Parents' Prayer : 4.00 p.m. First Sunday
29. Night Prayer : 9.30 p.m. Third Friday
30. Fasting Prayer : 9:30 a.m. Second Saturday
31. Holy Communion : Second Sunday Services
32. Youth / Kid Prayer : 10.00 p.m. daily (over phone)
33. Staff Devotion : 9.00 a.m. daily
34. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## Echo of His Call Postal Courses for candidates in India

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a Course Book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!** - Editor

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
**Echo of His Call, Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

*"... কিন্তু যিসকলে তেওঁলৈ যিহোৱাক বিচাৰে, তেওঁলোকৰ মঙ্গলৰ অভাৱ নহয়।"* - গীতমালা ৩৪ঃ১০

১৯৬৯ চনৰ পৰা যেতিয়া আমি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ আৰম্ভ কৰিছিলো তেতিয়া আমাৰ বহুবিধ পৰিচৰ্য্যাসমূহৰ বাবে আমাক ধনৰ প্ৰয়োজন হৈছিল। কৰ্মীসকলৰ বাবে, ছপাশালৰ বাবে, ডাক টিকটৰ বাবে, টেলিফোনৰ বাবে, বিদ্যুতৰ বিলৰ বাবে, ঘৰভাড়াৰ বাবে, যাতায়তৰ বাবে, দান দিয়া ইত্যাদিৰ বাবে আমাক ধনৰ অভাৱ হৈছিল।

ব্যক্তিগতভাৱে কৈছো, মোৰ প্ৰভু যীচু খ্ৰীষ্টই মোৰ বাবে যথেষ্ট। ধনৰ সহায়ৰ বাবে মই কেতিয়াও কাৰো দুৱাৰ টুকুৰিয়াও নাছিলো বা কোনো কাৰ্যালয়লৈ গৈ টকা বিচৰাও নাছিলো। আৰ্থিক সহায়ৰ বাবে কাৰোবাৰ কাষ চপাটো মোৰ একেবাৰে অভ্যাস নাছিল আনকি মই মোৰ মণ্ডলী বা বন্ধুসকলৰো কাষ চপা নাছিলো। কিন্তু এতিয়া পৰ্যন্ত, যি জন প্ৰভুৱে মোক আহ্বান কৰিছে সেইজন প্ৰভুৱে আচৰিতভাৱে সময়মতে মোৰ সকলো প্ৰয়োজনীয় বস্তুবোৰ যোগায় আহিছে। মই পৰিস্থিতিক 'মোৰ সহ্য কৰাৰ সময়', 'যেতিয়া ঈশ্বৰে মোক প্ৰাৰ্থনা কৰিবলৈ বাধ্য কৰে' আৰু 'প্ৰাৰ্থনাত ঈশ্বৰৰ সৈতে এটি ভাল সম্পৰ্ক লোৱাৰ সময়।' এই অভিজ্ঞতা বিলাকৰ পাছত মই ডাঙৰ ডাঙৰ আচৰিত কৰ্মৰ উপভোগ কৰিছো। এনে পৰিস্থিতিবোৰৰ মাজত মোক সহায় কৰিবলৈ ঈশ্বৰে অনেক অচিনাকী মানুহক দিলে। বহুত সময়ত ঈশ্বৰে অচিনাকী মানুহৰ যোগেদি মোক আৰু মোৰ পৰিয়ালক খুৱালে।

১৯৭৫ চনত, বাপুজী ছপাশালত ৩০০ ভাৰতীয় টকা দিবলগীয়া হৈছিল, য'ত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীখন ছপা কৰা হৈ আছিল। মোৰ হাতত টকা নথকাৰ হেতুকে টকা পৰিশোধ কৰাত পলম হৈ আছিল। এবাৰ বৃহস্পতিবাৰ দিন আছিল, মই সেই ছপাশালৰ মেনেজাৰক ক'লো যে, পৰৱৰ্তী সোমবাৰে মই টকাখিনি পৰিশোধ কৰি দিম। কিন্তু মোৰ টকা উপাৰ্জনৰ কোনো উৎস নাছিল। মই মোৰ প্ৰয়োজনীয় বস্তুবোৰৰ বিষয়ে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলো আৰু শান্তিত থাকিলো। পৰৱৰ্তী দেওবাৰলৈকে মই পাবলগীয়া টকাখিনি নাপালো।

সোমবাৰে পুৱাবেলাত যেতিয়া মই ডাকঘৰলৈ গৈ মোৰ ডাক বাকচ মেলি চালো, মই তাত দক্ষিণ ভাৰতৰ মাদুৰাই আৰু টুটিকৰণৰ মাজত থকা নাগালাপুৰাম নামৰ এখন সৰু গাঁওৰ পৰা পঠোৱা খাম এটা পালো। খামৰ ভিতৰত ৩০০ টকাৰ এখন ডিমাণ্ড ড্ৰাফ্ট (যিটো অতিক্ৰম হোৱা নাছিল) সেই টকাখিনি সেই দিনটোৰ বাবে যথেষ্ট আছিল। মই ছপাশালত কথা দিয়ামতে ঈশ্বৰে মোক টকা পৰিশোধ কৰাত সহায় কৰিলে. ঈশ্বৰৰ মহিমা হওক !

বহু বছৰৰ পাছত, মই সেই মানুহজনক নাগালামপুৰাম গাঁওত লগ কৰিবলৈ গৈছিলো। আশ্চৰ্যজনকভাৱে মই গম পালো যে সেই মানুহজন জোতা বনোৱা এজন দৰিদ্ৰ মানুহ আছিল।



মোক দেখি তেওঁ বহুত আনন্দ পাইছিল, তেওঁ মোক ক'লে, "মহাশয়, সেই বৃহস্পতিবাৰ, মই অনুভৱ কৰিছিলো যে কোনোবাই মোৰ হৃদয়ত কথা কৈ আছে, ৩০০ টকা পঠাবলৈ মোক হেঁচা দি আছে। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ বাবে মোৰ হাতত থকা সেই টকাখিনি শুক্ৰবাৰে পঠালো আৰু আপুনি তাক সোমবাৰে পালে।"

এইদৰে প্ৰভু যীচু খ্ৰীষ্টই মোৰ জীৱনত আচৰিত কৰ্ম কৰিলে।

হয়, এইটো এটা কষ্টকৰ যাত্ৰা। ঈশ্বৰৰ মহিমাক মই প্ৰতিদিনে সাক্ষ্য দি আছো। যিহোৱা মোৰ ৰক্ষক, মোৰ অভাৱ নহ'ব।

**যিজন জ্ঞানী, তেওঁ এই সকলো কথালৈ মনোযোগ দিয়ক...** (গীতমালা ১৭৭ঃ৪৩)।

....*Contd. from page 6*

আটাগুড়ি আৰু তেলেৰে যোগায় ৰক্ষা কৰিলো। তোমাকো মই যোগাব পাৰো।"

### ৪. আপোনাৰ পবিত্ৰ দিনটোক সোঁৱৰণ কৰক!

এই পবিত্ৰ দিনটো প্ৰায় এটা বিতৰ্কিত বিষয় হৈ থাকে, যেতিয়া মই শনিবাৰটোক সপ্তম দিন হিচাপে গণ্য কৰো নতুন নিয়মৰ খ্ৰীষ্টিয়ানসকলে পৰম্পৰাগতভাৱে দেওবাৰৰ দিনটোক প্ৰভুৰ দিন বুলি পালন কৰে আৰু তেওঁলৈ আৰাধনা আৰু উপাসনা কৰি তেওঁৰ সৈতে সময় দিয়ে।

কিছুমানে ইয়াত "সপ্তম দিনত বিশ্ৰাম কৰা দিন" বুলি অনুবাদ কৰে আৰু গীৰ্জালৈ যোৱাৰ পৰিৱৰ্তে শুই থাকে বা জিৰণি লৈ থাকে। কিন্তু প্ৰিয় বন্ধুসকল মই নম্ৰভাৱে আপোনালোকক ক'ব বিচাৰো যে, যি ঈশ্বৰৰ হয়, সেয়া তেওঁক দিয়ক। "**... যি চীজাৰৰ, সেয়া চীজাৰক দিয়ক আৰু যি ঈশ্বৰৰ সেয়া ঈশ্বৰক দিয়ক**" (*মথি ২২ঃ২১*)। সপ্তাহটোৰ এদিন ঈশ্বৰৰ হয় -- তেওঁৰ পৰা ইয়াক চুৰ নকৰিব।



**নতুন নিয়মত খ্ৰীষ্টিয়ানবিলাকে দেওবাৰটো পৰম্পৰাৰ সৈতে পালন কৰে।**

হয়, সেয়া তেওঁক দিয়ক। "... **যি চীজাৰৰ, সেয়া চীজাৰক দিয়ক আৰু যি ঈশ্বৰৰ সেয়া ঈশ্বৰক দিয়ক**" *(মথি ২২ঃ২১)*। সপ্তাহটোৰ এদিন ঈশ্বৰৰ হয় -- তেওঁৰ পৰা ইয়াক চুৰ নকৰিব।

দুৰ্ভাগ্যক্ৰমে, আমাৰ বহুতে আমাৰ অগ্ৰাধিকাৰক সংৰক্ষণ কৰিছে। আমি ঈশ্বৰক আমাৰ বাকী মুহূৰ্তবোৰক দিওঁ, আমাৰ কামবিলাক শেষ হোৱাৰ পাছত বা ব্যক্তিগত বাধ্যবাধকতাৰ পাছতহে আমি তেওঁৰ ওচৰলৈ আহোঁ। তলত দিয়া কাৰণবিলাকক আমি ন্যায় সঙ্গত বুলি ধৰি লওঁ ঃ

"মই পৰিশ্ৰম কৰিব লাগিব; নহ'লে কোনে মোৰ বিলবোৰৰ পৰিশোধ কৰিব?"

"মই পৰীক্ষাত পাছ কৰিবলৈ হ'লে, মই দেওবাৰতো ক্লাচ ল'ব লাগিব।"

"মই মেচখন খেলিবই লাগিব; কিয়নো ঈশ্বৰে মোক পেছাগতভাৱে পৰিৱেশন কৰিবলৈ শক্তি দিছে।"

যেতিয়া আমি এই কাৰণবিলাক বৈধ বুলি ভাবো, আমি নিজকে প্ৰশ্ন কৰা উচিত যে, এই সিদ্ধান্তবিলাকত আমি কাক গৌৰৱান্বিত কৰিছো? বাইবেলত কয়, ... **আপোনালোকে যি যি কৰে, সকলোকে ঈশ্বৰৰ মহিমাৰ অৰ্থে কৰিব**। (১ কৰিন্থীয়া ১০ঃ৩১) আমি প্ৰকৃততে তেওঁক মহিমান্বিত কৰিছো নে? এইটো এটা জটিল প্ৰশ্ন?

## ৫. স্মৰণ কৰক আপুনি ক'ত পতিত হৈছে!



**Repent and turn back to Me!**

বাইবেলে আমাক গভীৰ সতৰ্ক কৰি দিছে ঃ **এতেকে তুমি ক'ৰ পৰা পৰিলা, তাক সোঁৱৰণ কৰা, মন পালটন কৰা আৰু প্ৰথমে কৰা কাৰ্যকে তুমি কৰা। যদি মন পালটন নকৰা, তেনেহ'লে মই তোমাৰ ওচৰলৈ আহিম আৰু তোমাৰ দীপাধাৰা নিজ ঠাইৰ পৰা স্থানচ্যুত কৰিম।** *(প্ৰকাশিত বাক্য ২ঃ৫)*।

তেওঁলৈ আহক। তেওঁ হাত মেলি ৰৈ আছে, প্ৰেম আৰু আশাৰে। যেতিয়া আমি তেওঁৰ প্ৰেম, দয়া বা সহায়ৰ যোগ্য নহও বুলি ভাবো, ইয়াক মনত ৰাখিব ঃ যীচুৱে জানিলে যে আমাক অনুগ্ৰহৰ প্ৰয়োজন আছে, তেওঁৰ অবিহনে আমি একোকে কৰিব নোৱাৰো।

তেওঁ আমাক ক্ষমা কৰিবলৈ বিচাৰে আৰু আমাৰ ভগ্ন জীৱনক লৈ নতুন কৰিব বিচাৰে। আচল প্ৰশ্নটি হৈছে-- আমি আমাৰ ভগ্নতাক তেওঁলৈ সমৰ্পণ কৰি, তেওঁ তাক পুনৰ ধুনীয়াকৈ নিৰ্মাণ কৰাটো আপুনি বিচাৰে নে?

এটি ফলদায়ক আৰু ফলপ্ৰসু বছৰটিক আদৰি লওক। তেওঁৰ প্ৰেমেৰে আপুনি অনেকৰ জীৱনবিলাকক স্পৰ্শ কৰিব পাৰিব আৰু আপুনি একেৱাহে যীচু খ্ৰীষ্টত উজ্জ্বলি থাকিব আৰু এই পৃথিৱীত আপোনাৰ চাৰিওফালে আপুনি উন্নতি কৰিব।

************


## তৎকালীন প্ৰয়োজন

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি দ্ৰুতগতিত বিস্তাৰ হৈ আছে। আমাৰ পৰিচৰ্যা মনৰ, সমৰ্পিত আৰু বিশ্বাসী পুৰুষ আৰু মহিলাসকলৰ প্ৰয়োজন। তলত উল্লেখ কৰা পদসমূহৰ বাবে -**

- কেন্দ্ৰ মণ্ডলীৰ বাবে সম্পূৰ্ণ সময়ৰ সহকাৰী পালক।
- চেন্নাইত শাখা মণ্ডলীসমূহৰ বাবে সম্পূৰ্ণ সময় সহকাৰী পালক।
- সম্পূৰ্ণ সময়ৰ নিৰাপত্তা বিষয়া।
- ডি.টিপি. চলোৱা লোক আৰু টাইপ কৰা লোক।
- ইংৰাজী আৰু আন আন ভাষাত কথা ক'ব পৰা আৰু লিখাত দক্ষ থকা হ'ব লাগিব।
- প্ৰশাসনত আগ্ৰহী অফিচ পৰিচালকসকল।
- সম্পূৰ্ণ সময় বাইবেল কলেজৰ প্ৰৱক্তা
- স্বেচ্ছাসেৱকসকল, যিসকলে আমাৰ পৰিচৰ্যাক উন্নত কৰিব পাৰে।
- সম্পূৰ্ণ সময় গাড়ীচালক।
- মেট্ৰিকুলেশ্বন স্কুলৰ বাবে অধ্যক্ষ আৰু শিক্ষক।
- সম্পূৰ্ণ সময় ৰান্ধনী (মহিলা)
- সম্পূৰ্ণ সময় গৃহকৰ্মী

**শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি দৰমহা দিয়া হ'ব।**

**আবেদন কৰক ঃ**
হোৱাটচ্ এপ নং - **98412 71858**
ই মেইল ঃ **sam@echoofhiscall.org**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

E.mail : sam@echoofhiscall.org

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 13th JANUARY 2025.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**